# কবিতা মই কিয় লিখোঁ?

**ৰাজীৱ বৰুৱা**

*Issue: Vol. IV, No. 2, August-October, 2025*

মই কিয় লিখোঁ? ই একপ্ৰকাৰ চোবা বাক্য (cliché)ৰ দৰে। যুগৰধি লেখকসকল এই প্ৰশ্নৰ মুখামুখি হৈ আহিছে। ইয়াৰ উত্তৰ অনেক দেশী-বিদেশী লেখকৰ লেখাত কৌতূহলেৰে পঢ়িছোঁ। সেই সকলোৰে ভিতৰত সৌৰভ কুমাৰ চলিহাৰ উত্তৰটো মোৰ বেছি মনঃপূত। তেওঁ ওলোটাই প্ৰশ্নকৰ্তাক সুধিছিল : ঘড়ীটোৱে কিয় টিক্ টিক্ কৰে? আমি সুধিছোঁ জানো?



ৰাজীৱ বৰুৱা

মোৰ ব্যক্তিগত কথা এনেকৈ ক'ম : মোৰ এটা আত্ম-পৰিচয় আছে। এই পৰিচয় জ্ঞাপন কৰিব খোজোঁ মোৰ লেখা-মেলাৰ জৰিয়তে। কাৰণ কিছু পৰিমাণে এই কামৰ বাহিৰে অন্য কাম কৰিবলৈ মই অক্ষম। দ্বিতীয়তে, লিখাৰ বাবে এক প্ৰকাৰ তাড়ণা অনুভৱ কৰোঁ। বহুতে ইয়াক দিব্য উপস্থিতি বুলি কয়।

শেহতীয়াভাবে, দীৰ্ঘ অনুশীলনৰ পিছত লিখাটো মোৰ প্ৰবৃত্তিগত হৈ পৰা যেন লাগে। লেখাৰ সময়ত মোৰ দৃষ্টিত সদায় এগৰাকী বা একাধিক ৰসবেত্তা পঢ়ুৱৈ থাকে।

কবিতা কেনেকৈ লিখোঁ, যিমান পাৰি সহজকৈ ক'ম। তাৰ আগতে কৈ লওঁ: কবিতা দীক্ষিত পাঠকে (এজন হ'লেও) পঢ়িব বুলি লিখোঁ। লিখাৰ উদ্দেশ্য মোৰ আত্মপ্ৰচাৰ? মানুহে মোক চিনি পাওক? এওঁ লিখে —এই কল্পনা-কৰ্ম মই আজি প্ৰায় ৪৫ বছৰ ধৰি কৰি আহিছোঁ। মই বন্ধৰ দিনা লিখোঁ (Holiday writer)। কবিতা লিখোঁ বুলি যেতিয়া পাহৰি যাওঁ, তেতিয়াই পিছৰ

কবিতাটো লিখিবলৈ বহোঁ। কবিতা এটা লিখিবলৈ বহিলে প্ৰথমে মোক জোঁকাৰি যোৱা বা মনত গভীৰ অভিঘাত সৃষ্টি কৰা ঘটনা, দৃশ্য বা মুহূৰ্তবোৰৰ কথা যথাসাধ্যে মনঃসংযোগেৰে ভাবোঁ। কবিতা কোনো কোনো মুহূৰ্তৰ উপাৰ্জন। এইবোৰৰ বেছিভাগ যেতিয়াই দেখোঁ তেতিয়াই বহীত টুকিও থওঁ। এইবাবে প্ৰায়বোৰ কবিতাৰে প্ৰথম খচৰা মনৰ ভিতৰতে চলে।

ঘাইকৈ মানুহৰ জীৱন-জিজ্ঞাসা, জন্ম-মৃত্যু, মানুহৰ সম্ভাৱনা, বিপৰ্যয়, তথাকথিত আধুনিকতাৰ চাপত মানৱীয় প্ৰমূল্যৰ ক্ষীয়মাণ ৰূপ, তাত দেখা বৈপৰীত্য আৰু স্ববিৰোধিতা —এই কথাবোৰ মই কৌতূহলেৰে চাওঁ। তেনে ঘটনা-দৃশ্যই মোৰ মন টানি নিয়ে। এইবোৰ দেখিলে লগে লগে টুকি থওঁ। নহ'লে পাছত পাহৰোঁ। টুকি নোথোৱা দোষত বহুত সমল হেৰুৱালোঁ। অৱশ্যে হাতৰপৰা পলাই যোৱা মাছটো সদায় ডাঙৰ। কিন্তু পৰ্যটকৰ দৰে কোনো দৃশ্য বা ঘটনা বৰ্ণনা কৰা মোৰ কাম নহয়। কবিতা সন্নিকট বাস্তৱৰ হুবহু বৰ্ণনা নহয়। তেনে লেখা প্ৰপাগাণ্ডাহে হ'ব। এই কাম সংবাদসেৱীৰ। তাক কবিতা কৰিবলৈ মই কল্পনা কৰ্ম কৰিব লাগিব। অৰ্থাৎ তাত কবিতাৰ অলংকাৰ আদি প্ৰয়োগ কৰি আঁৰ কাপোৰ এখন তৰিব লাগে। কিন্তু মই কবিতাক এগালমান অলংকাৰ পিন্ধাব নিবিচাৰোঁ। এজোপা গোলাপফুলত কিমান পানী লাগে এই অনুপাতটো অভিজ্ঞতাৰপৰা শিকিছোঁ। কবিতাক মই ৱৰ্ডছৱৰ্থ, স্পেণ্ডাৰ বা নেৰুডাই কোৱাৰ দৰে কথিত ভাষাৰ ওচৰ চপাই আনিব বিচাৰোঁ।

এজন ফৰাচী ঔপন্যাসিক আছিল। জৰ্জ চিমেনো। কিবা লেখাৰ আগতে তেওঁ সদায় ব্লাডপ্ৰেছাৰ পৰীক্ষা কৰাই লৈছিল। তাৰ পাছত ঘৰৰ দুৱাৰ বন্ধ কৰি টেলিফোনটো নমাই থৈ লিখিবলৈ বহিছিল। ময়ো অকলে নিৰলাত বহি লিখোঁ। লিখি থাকোঁতে কোনোবাই দেখিলে লাজ লাজ লাগে। কাৰণ তেতিয়া মই 'মই' হৈ নাথাকোঁ। নিজকেই অচিনাকি যেন লাগে। প্ৰথমে মনলৈ আহে সজীৱ স্মৃতিবোৰ। কল্পনা-কৰ্ম আমাৰ স্মৃতিৰে কচৰৎ মাত্ৰ। দ্বিতীয় খচৰাটো কৰোঁ। মোৰ ভিতৰৰ সমালোচকজনক দেখুৱাই লওঁ। তেওঁ নামঞ্জুৰ কৰিলে ফালি পেলাই দিওঁ। আকৌ লিখিবলৈ লওঁ নতুনকৈ। কবিতাটোত নিজকে উন্মুক্ত কৰি দিওঁ। তাৰপাছত কিছু দূৰৰপৰা চাই থাকোঁ। পৰিমাৰ্জন কৰোঁ। কেতিয়াবা একাধিকবাৰ, তাৰ পাছত 'কবিতা'টো উচ্চাৰণ কৰি পঢ়ি চাওঁ। এইদৰে পঢ়িলে অন্য পাঠকৰ দৃষ্টিৰে পঢ়া যেন লাগে। অনুভূতি, সংবেদন আৰু অভিজ্ঞতা — মোৰ মূলধন। মোৰ অনুভূতিয়ে অকলে একো কৰিব নোৱাৰে যদিহে মোৰ অভিজ্ঞতা নাথাকে। এই কাৰণে ৰিল্কেই কৈছিল— verses are experiences। কবি অভিজ্ঞতাৰ উপভোক্তা। অভিজ্ঞতা কবিক লাগিবই। ৰিল্কেই কবিক নানান দেশ-গাঁও-চহৰ ফুৰি অভিজ্ঞতা গোটাবলৈ কৈছিল। নেৰুডাই কৈছিল— পথেই কবিৰ ধৰ্ম। মই সেয়ে অভিজ্ঞতা গোটাবলৈ ভ্ৰমণ কৰোঁ। কিতাপত যিহেতু মানুহৰ অভিজ্ঞতাবোৰ থূপ খাই থাকে, সেয়ে কিতাপ পঢ়োঁ। কাৰণ সকলো অভিজ্ঞতা নিজে অৰ্জা সম্ভৱ নহয়। কিছুমান কবিয়ে একেটা কবিতাকে লিখি থাকে। এই দিশত মই সাৱধান, যাতে পুনৰাবৃত্তি নহয়। ৰবাৰ্ট ফ্ৰষ্টে কোৱাৰ দৰে মই ভাবোঁ কবিসকলে কিবা এটা ধুনীয়াকৈ কৰিবলৈ শিকি তাৰপৰা আঁতৰি অহা উচিত। ইয়াকে আমি পৰ্বান্তৰ বুলি কওঁ নেকি? কবি ফেইজ আহমেদ ফেইজৰ এই কথাষাৰ ইয়াত প্ৰাসংগিক হ'ব বুলি তুলি দিছোঁ: "I don't really know how one writes. Sometimes while reading a book, a phrase or sentence or an image or a rhyme slicks in mind, and ultimately, ends up in a poem."

এবাৰ ন'বেল বঁটা-বিজয়ী ফৰাচী কবি ছেণ্ট জন পেচ আমেৰিকালৈ যোৱাত তেওঁক মহান বিজ্ঞানী আইনষ্টাইনে নিমন্ত্ৰণ কৰিলে। কথাপ্ৰসংগত বিজ্ঞানীগৰাকীয়ে কবিক সুধিলে: আপুনি কবিতা কেনেকৈ লিখে? কবিয়ে উত্তৰ দিলে: স্বজ্ঞাৰে (by intuition)। আইনষ্টাইনে মুগ্ধচিত্তে কলে:

আমি বিজ্ঞানীসকলেও একেধৰণৰ কামকে কৰোঁ। আৰম্ভণিতে সকলোবিলাক কল্পনা। উল্লেখযোগ্য যে পেচ প্ৰসংগত কবি অজিৎ বৰুৱাই কৈছিল: কবিতা যদি শব্দৰ সম্ভাৱনাৰ সন্ধান, তেন্তে পেচ শব্দৰ শ্ৰেষ্ঠ সন্ধানকাৰীসকলৰ এজন। উষ্ণ কল্পচিত্ৰমালাৰ ৰচোঁতা হিচাপে তেওঁ বৰ ওখ কবি। বৰুৱাই পেচৰ কবিতা মূল ফৰাচীৰপৰা অসমীয়ালৈও ভাঙিছিল। মানৱ মনস্তত্ব মূলতঃ নিৰ্মাণ হৈছে দুই প্ৰধান আধাৰেৰে : স্মৃতি আৰু কল্পনা। কল্পনা প্ৰসংগত মনলৈ আহে শ্বেইক্সপীয়েৰ ৰ *A Midsummer Night's Dream* নাটকখনৰ এটা সংলাপ, "উন্মাদ, প্ৰেমিক আৰু কবি কল্পনাৰ ধনী।" কল্পনা আৰু কবিতা যেন মাতৃ আৰু তেওঁৰ দুহিতা। মই মোৰ ইন্দ্ৰিয়ই ঢুকি পোৱা সকলো জড় আৰু জঙ্গম বস্তুকে কবিতাৰ ৰূপ দিব বিচাৰোঁ। দিছোঁও, যেনে— কাঠৰ টুল, পিয়াঁজ, জোতাযোৰ, পুখুৰী আদি। শুভ-অশুভ, সুন্দৰ-অসুন্দৰ সকলোতে মই বিচৰণ কৰি অৰ্থ-অনৰ্থ (আপাত দৃষ্টিত)ৰ বিনিৰ্মাণ কৰিব বিচাৰোঁ। শংকৰ গুৰুজনাই তেতিয়াই কৈছিল, "নীচত সাধুত যাৰ ভৈল এক জ্ঞান।" সময় অনুভূতিক ঘনীভূত ৰূপ দিয়াৰ লগতে শৈল্পিক প্ৰাবল্য দিয়াৰ চেষ্টা কৰোঁ।

কবিতা এটা লিখি থাকোঁতে গভীৰ মনোনিৱেশ কৰাৰ চেষ্টা কৰোঁ। শাৰী পাতি অহা স্মৃতি (অভিজ্ঞতা) আৰু গভীৰ ভাব-অনুভূতিৰ ৰসায়নত মনোজগত তন্ময় হৈ পৰে। মনে প্ৰসৱ কৰে বোধ। মনৰ এই অৱস্থাক প্ৰকাশ কৰিবলৈ বাহক কৰি লওঁ শব্দক। বোধ বা বিষয়ে নিজে বাছি লয় আংগিক। কেতিয়াবা কিছুমান শাৰী ক'ব নোৱৰাকৈয়ে আহি যায়। পাছত নিজৰে আচৰিত লাগে। মই কেনেকৈ লিখিলোঁ? লিখি থাকোঁতে এমিলি ডিকিনছনৰ এইষাৰ কথাই মোক বৰ সহায় কৰে— "Tell all the truth but tell it slant." ঠিক ঘৰ এটা সজাৰ দৰে। ঘৰটো সজাৰ পাছতহে ক'ব পাৰি কেনে হ'ল। কবিতাটো লিখি শেষ কৰোঁ— কিন্তু একো নহয়গৈ, অতৃপ্তি জাগে সদায়। সদায়ে ভাবোঁ এইটো এটা ভাল কবিতা হ'বগৈ— পাছত কিন্তু সদা অতৃপ্তিৰ ভাবে পীড়া কৰে।

**ৰাজীৱ বৰুৱা** অসমীয়া ভাষাৰ এগৰাকী জ্যেষ্ঠ কবি আৰু আকাশবাণীৰ অৱসৰপ্ৰাপ্ত বিষয়া। অসমীয়া ভাষাত তেওঁৰ এতিয়ালৈকে আঠটা কবিতা-সংকলন প্ৰকাশ পাইছে। ১৯৯৯ চনত তেওঁ *পানীৰ ঘৰ* সংকলনৰ বাবে মুনীন বৰকটকী বঁটা লাভ কৰিছিল।